**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2024
**Time :** 1910 Hrs.

## ***Assamese Evening Bulletin***
## **Headlines**

০০০০০০০

১। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত দেশৰ বান পৰিস্থিতিৰ জোৰা মৰাৰ প্ৰস্তুতিৰ সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে নীট ইউ জি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰি তদন্ত আৰম্ভ কৰিছে।

৩। চেন্নাইত আজি ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰয়োগত ভাৰতৰ প্ৰগতিশল পথ সংক্ৰান্তিয় এখন সন্মিলন অনুষ্ঠিত হৈছে।

৪। চত্তিশগড়ৰ সুকমা জিলাত মাওবাদীৰ বোমা আক্ৰমণত ক'ব্ৰা বেটেলিয়নৰ দুজন জোৱান শ্বহীদ হয়।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰবাডোছত হ'বলগীয়া এখন খেলত ইংলেণ্ড আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত দেশৰ বান পৰিস্থিতিৰ জোৰা মৰাৰ প্ৰস্তুতিৰ সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশত বান পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে এটা উমৈহতীয়া আৰু সুদূৰ প্ৰসাৰী নীতি যুগুত কৰাৰ বাবে দীৰ্ঘ দিনৰে পৰা গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰে। এই বৈঠকত শ্ৰীশ্বাহে ছিকিম আৰু মণিপুৰত অলপতে হোৱা বান পৰিস্থিতিৰ সবিশেষ অধ্যয়ন কৰি সংশ্লিষ্ট বিভাগক গৃহ মন্ত্ৰ্যালয়ৰ হাতত এখন প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ কয় যে, উত্তৰ পূৰ্বাঞ্চলত অতি কমেও ৫০টা বৃহৎ পুখুৰী নিৰ্মাণ কৰা উচিত যাতে ব্ৰহ্মপুত্ৰৰ পানী পৃথকে বোৱাই নি এই বৃহৎ আকাৰৰ পুখুৰীত সংৰক্ষণ কৰিব পৰা যায়। তেওঁ কয় যে, ইয়াৰ ফলত কৃষি, জলসিঞ্চন আৰু পৰ্যটন খণ্ডৰ উন্নয়ন সাধন হৈ স্থানীয় অৰ্থনীতি টনকীয়াল কৰিব। শ্ৰীশ্বাহে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ দুৰ্যোগ ব্যৱস্থাপনা খণ্ডত কোনো ধৰণৰ বাধা নোহোৱাকৈ বিশেষ অগ্ৰগতি লাভ কৰিছে। শ্ৰীশ্বাহে লগতে হঠাতে হিমবাহ হ্ৰদৰ বিস্ফোৰণ হোৱাৰ ফলত সৃষ্টি হোৱা বানপানীৰ সৈতে মোকাবিলা কৰাৰ প্ৰস্তুতিৰো পৰ্যালোচনা কৰে। তেওঁ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাক বান আৰু জল ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিভিন্ন সংস্থাসমূহে যোগান ধৰা উপগ্ৰহৰ প্ৰতিছবিৰ সহায়ত এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক বান ব্যৱস্থাপনাৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জাৰি কৰা সতৰ্কতাসমূহ সময়মতে ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু কেন্দ্ৰীয় জল আয়োগক আগতীয়াকৈ বানৰ সন্দৰ্ভত অৱগত হোৱাৰ বাবে সকলো ধৰণৰ সঁজুলি পুনৰ মানাংকন কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে সকলো বৃহৎ বান্ধৰ গেটসমূহ ভাল অৱস্থাত থকাটো

সুনিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়ে। শ্ৰীশ্বাহে কয় যে, কেন্দ্ৰীয় জল আয়োগৰ বান নিৰীক্ষণ কেন্দ্ৰসমূহে দেশৰ প্ৰয়োজনীয় আৰু আন্তঃৰাষ্ট্ৰীয় মানদণ্ড বৰ্তাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে উন্নত বান ব্যৱস্থাপনাৰ বাবে নদীসমূহৰ জলস্তৰৰ পৰিমান সময়ে সময়ে জাৰি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীশ্বাহে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনাৰ কৰ্তৃপক্ষক আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰ্যালয়ক বনজুই প্ৰতিহত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও বজ্ৰপাতৰ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ বাবে এছ এম এছ, টি ভি, এফ এম ৰেডিঅ' আৰু অন্যান্য মাধ্যমত সতৰ্কতা জাৰি কৰাৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগক নিৰ্দেশ দিছে।

আজিৰ বৈঠকত জল শক্তি মন্ত্ৰী চি আৰ পাটিল, গৃহ বিভাগৰ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, কেন্দ্ৰীয় গৃহ সচিবকে ধৰি বিভিন্ন মন্ত্ৰ্যালয়ৰ সচিব আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে নীট ইউ জি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰি তদন্ত আৰম্ভ কৰিছে। চি বি আইৰ সূত্ৰ অনুসৰি শিক্ষা মন্ত্ৰ্যালয়ৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালকে দিয়া অভিযোগৰ ভিত্তিত এই এজাহাৰ দাখিল কৰা হৈছে। চি বি আইয়ে সমগ্ৰ দেশতে এই বিষয়টোৰ এটা পুংখানুপুংখ তদন্ত আৰু এই বৃহৎ ষড়যন্ত্ৰৰ সবিশেষ উন্মোচন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এই বিষয়টোৰ তদন্তৰ বাবে চি বি আইয়ে কেইবাটাও বিশেষ দল গঠন কৰিছে। চি বি আইৰ বিশেষ দলসমূহক পাটনা আৰু গোধ্ৰালৈ প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে তাত স্থানীয় আৰক্ষীয়ে প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত এজাহাৰ দাখিল কৰিছিল।

শিক্ষা মন্ত্ৰ্যালয়ে কালি চি বি আইক তদন্তৰ দায়িত্ব অৰ্পণ কৰিছিল। মন্ত্ৰ্যালয়ে এটা বিজ্ঞপ্তিত কৈছে যে, চৰকাৰে পৰীক্ষাৰ পৱিত্ৰতা সুনিশ্চিত কৰা আৰু ছাত্ৰসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ প্ৰতি দায়বদ্ধ। লগতে এইবুলি কৈছে যে, এইক্ষেত্ৰত কোনো ব্যক্তি তথা প্ৰতিষ্ঠান জড়িত থকা বুলি যদি প্ৰমাণিত হয়, তেনেহ'লে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লগতে এনেধৰণৰ ৰাজহুৱা পৰীক্ষাত অনিয়ম ৰোধ কৰাৰ বাবে ৰাজহুৱা পৰীক্ষা বিধেয়ক ২০২৪ প্ৰণয়ন কৰিছে। ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই যোৱা ৫ মে'ত নীট ইউ জিৰ পৰীক্ষা অনুষ্ঠিত কৰিছিল। সমগ্ৰ দেশতে এই পৰীক্ষাত বিভিন্ন ধৰণৰ খেলিমেলিৰ তথ্য লাভ কৰা হৈছিল।

০০০০০০০

চেন্নাইত আজি ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰয়োগত ভাৰতৰ প্ৰগতিশল পথ সংক্ৰান্তিয় এখন সন্মিলন অনুষ্ঠিত হৈছে। অহা ১ জুলাইৰ পৰা ৩খন নতুন ফৌজদাৰী আইন কাৰ্যকৰী হোৱাৰ পূৰ্বে আজিৰ সন্মিলনত এই সন্দৰ্ভত পৰ্যালোচনা কৰা হৈছে। এই উপলক্ষে দিয়া ভাষণত কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয় যে, ঔপনিৱেশ শাসকসকলে ভাৰতীয় সকলক শাস্তি বিহাৰ লক্ষ্যৰে ভাৰতীয় দণ্ডবিধি প্ৰণয়ন কৰিছিল। এতিয়া ন্যায় প্ৰদানৰ উদ্দেশ্যে ভাৰতীয় ন্যায় সংহিতা প্ৰৱৰ্তন কৰা হৈছে। ভাৰতীয় সকলক শোষণ কৰাটোৱেই ঔপনিৱেশিকসকলৰ আইন প্ৰণয়নৰ মূল উদ্দেশ্য আছিল বুলিও তেওঁ উল্লেখ কৰে। ভাৰতীয় দণ্ডবিধিৰ নৱীকৰণৰ প্ৰয়োজনীয়তা সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। তেওঁ কয় যে, ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সকলৰ সৈতে ২০১৯ চনৰ পৰা এই সন্দৰ্ভত পৰামৰ্শ কৰাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সন্মিলনত ভাষণ দি তথ্য আৰু সম্প্ৰচাৰৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে কয় যে, এন ডি এ চৰকাৰে প্ৰযুক্তিগতভাৱে অগ্ৰগতি লাভ কৰা বিশ্বৰ সৈতে খাপ খোৱাকৈ নতুন ফৌজদাৰী আইন প্ৰৱৰ্তন কৰিছে। ভাৰতৰ ন্যায়িক আইনসমূহ বৰ্ধিত ডিজিটেল সমাজৰ উপযোগী হোৱাকৈ যুগুত কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। ভাৰতীয় সাক্ষ্য অধিনিয়ম, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাকে ধৰি ভালেমান বিষয় সন্দৰ্ভত প্ৰযুক্তিগত সত্ৰত আলোচনা কৰা হয়। এই

সন্মিলনত জ্যেষ্ঠ ন্যায়াধীশ, উচ্চ আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ লগতে আইনৰ ছাত্ৰ সকলেও অংশগ্ৰহণ কৰিছে।

০০০০০০০

চত্তিশগড়ৰ সুকমা জিলাত মাওবাদীৰ বোমা আক্ৰমণত ক'ব্ৰা বেটেলিয়নৰ দুজন জোৱান শ্বহীদ হয়। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি বিয়লি প্ৰায় ৩ বজাত নিৰাপত্তা বাহিনীৰ জোৱানসকলে ছিলগাৰৰ পৰা টেকলাগুদাম শিবিৰলৈ আগুৱাই যোৱাৰ সময়তে এই ঘটনা সংঘটিত হয়। বাস্তাৰ আৰক্ষীয়ে প্ৰকাশ কৰা বিবৃতিটোত ২০১ ক'ব্ৰা বেটেলিয়নৰ জোৱানসকলে মটৰচাইকেল আৰু ট্ৰাকেৰে গৈ থকা অৱস্থাত বোমাটো বিস্ফোৰণ হয়। ঘটনাৰ সবিশেষ এতিয়াও জানিব পৰা হোৱা নাই।

০০০০০০০

মণিপুৰৰ জিৰিবাম জিলাৰ বৰোবেক্ৰা উপ সংমণ্ডলৰ গোৱাখালৰ এখন জৈৱিক পামত আজি নিচেই পুৱা এটা সন্দেহযুক্ত শক্তিশালী আই ই ডিৰ বিস্ফোৰণ হয়। আৰক্ষীৰ সূত্ৰ অনুসৰি আজি পুৱা প্ৰায় ৩ মান বজাত এই বিস্ফোৰণ সংঘটিত হয় আৰু ইয়াৰ ফলত পামখন বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। অৱশ্যে এই বিস্ফোৰণত কোনো লোক হতাহত হোৱা নাই। আৰক্ষীয়ে এই ঘটনাৰ পাছতে ঘটনাস্থলী পৰ্যবেক্ষণ কৰাৰ লগতে দোষীক কৰায়ত্ব কৰাৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী  একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰবাডোছত হ'বলগীয়া এখন খেলত ইংলেণ্ডে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে কিংষ্টনত অনুষ্ঠিত হোৱা ছুপাৰ এইট পৰ্যায়ৰ খেলত আফগানিস্তানে অষ্ট্ৰেলিয়াক ২১ ৰাণত পৰাস্ত কৰে। খেলখনত আফগানিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১৯ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আফগানিস্তানৰ হৈ গুলবাদিন নঈবে চাৰিটা গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। গুলবাদিনক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়। অষ্ট্ৰেলিয়াই কাইলৈ ভাৰতৰ বিৰুদ্ধে ছুপাৰ এইট পৰ্যায়ৰ অন্তিমখন মেচত অৱতীৰ্ণ হ'ব।

০০০০০০০

**ঃ সমাপ্ত ঃ**